NOT ... ISSUE
A. L. A. LIBRARY

1990
Printed at the Assam Govt. Press,
Guwahati-21

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

ISSUE
A. L. A. LIBRARY

অসম চৰকাৰ

# বাজেট ১৯৯০-৯১

মুখ্যমন্ত্ৰী

## শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ

দ্বাৰা উত্থাপন

৬ মাৰ্চ, ১৯৯০

বিত্ত বিভাগ
গুৱাহাটী-৭৮১০০৬

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

অধ্যক্ষ মহোদয়,

এই সন্মানিত সদনত ১৯৯০-৯১ চনৰ বাজেট দাঙি ধৰিবলৈ পাই মই নথৈ আনন্দ পাইছো।

বিত্তীয় দৃশ্যপট

২। ৰাজ্যৰ অৰ্থসম্পদৰ উন্নত পৰিচালনাৰ লগতে কেন্দ্ৰৰ ৰাষ্ট্ৰীয় মৰ্চ্চা চৰকাৰেও ৰাজ্য চৰকাৰক সহায় কৰিবলৈ বুলি হাতত লোৱা কেতবোৰ উদ্যোগৰ ফলতে এই বছৰত আমাৰ ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিত লেখত লবলগীয়া উন্নতি হৈছে। বহুদিনৰে পৰা পৰি থকা তেলৰ ৰয়েল্টি সংশোধনৰ প্ৰক্ৰিয়াটোও সম্প্ৰতি আৰম্ভ হৈছে আৰু এটা তদৰ্থ সাহায্য ঘোষনাও কৰা হৈছে। ক্ষুদ্ৰ সঞ্চয়ৰ জৰিয়তে ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়াই ৰাজ্যখনত কৰা ১০৫ কোটি পৰ্যন্ত টকাৰ বিনিয়োগেও আমাৰ বিত্তীয় সম্পদ ভালেখিনি বঢ়াই তুলিছে। আমি আশা কৰিছো যে পৰিকল্পনা-বহিৰ্ভূত ব্যয়ৰ ক্ষেত্ৰত অধিকতৰ মিতব্যয়িতা আৰু উন্নত ৰাজহ সংগ্ৰহৰ লগতে তেলৰ ৰয়েল্টিৰ সংশোধনো সোনকালে হলে এতিয়াও থাকি যোৱা বিত্তীয় জটিলতাখিনি আমি অতিক্ৰম কৰি যাব পাৰিমগৈ। এইখিনিতে অৱশ্যে সকলো ধৰণৰ ৰাজহৱা ব্যয়ৰ ক্ষেত্ৰত মিতাচাৰৰ প্ৰয়োজন এটাও আছে।

তেলৰ ৰয়েল্টি

৩। মাননীয় সদস্য সকলে জানেই যে চাহ, কয়লা আৰু তেলেই আমাৰ ৰাজ্যখনৰ প্ৰধান প্ৰাকৃতিক সম্পদ আৰু অতিৰিক্ত ৰাজহৰ বাবেও আৱশ্যিকভাবেই আমি এই কেইপদ সম্পদৰে কাম চাপিব লাগে। ৰাজ্যখনৰ ঘৰুৱা অৰ্থ-সম্পদৰ প্ৰায় এক চতুৰ্থাংশই আহে তেলৰ ৰয়েল্টিৰ পৰা। তেলৰ পৰা অহা ৰাজ্য চৰকাৰৰ ৰাজহ পিছে তৈলক্ষেত্ৰ (ব্যৱস্থাপন আৰু উন্নয়ন) আইন, ১৯৪৮ আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬- এই দুখন কেন্দ্ৰীয় আইনৰ ওপৰত নিৰ্ভৰশীল। পৰিতাপৰ কথা যে ১৯৮৪ চনৰ এপ্ৰিল মাহৰে পৰাই তেলৰ ৰয়েল্টি একেটা নিৰিখতে অলৰ-অচৰ হৈ আছে, অথচ এইছোৱা সময়ৰ ভিতৰতে খাৰুৱা তেলৰ বাবদ কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা উপ-কৰৰ নিৰিখ কেইবাবাৰো সংশোধিত হৈছে। নিয়মমতে ১৯৮৭ চনৰ এপ্ৰিল মাহতে তেলৰ ৰয়েল্টিৰ সংশোধন হব লগা আছিল। কিন্তু সময়মতে এই সংশোধন কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্বই কেন্দ্ৰত থকা আগৰ চৰকাৰে নেদেখুৱালে।

আমাৰ বিত্তীয় জটিলতাৰ কথা ভাবি প্ৰধান মন্ত্ৰীয়ে সদয় হৈ সম্প্ৰতি টনে প্ৰতি ১০০ টকাৰ অন্তঃবৰ্তীকালীন বৃদ্ধি এটা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে ১৯৮৯-৯০ চনৰ হিচাপত ৫০ কোটি টকাৰ অতিৰিক্ত ৰাজহৰ লগতে ১৯৮৭ চনৰ এপ্ৰিলৰ পৰা জমা হোৱা পাওনাৰ হিচাপতো ১০০ কোটি টকা পোৱা যাব। সিফালে অতদিনে পৰি থকা গোটেই বিষয়টোও অলপতে বিষয়া পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰৰ লগত খৰচি মাৰি আলোচনা কৰা হয়। বিষয়া পৰ্যায়ৰ বৈঠকৰ পিছত যোৱা ২৫ ফেব্ৰুৱাৰী তাৰিখে কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰীৰ সৈতেও বিষয়টো আলোচনা কৰা হয় আৰু মই জনাবলৈ পাই ভাল পাইছো যে আইনৰ জৰিয়তেই তেলৰ ৰয়েল্টি ধাৰ্য কৰাৰ সূত্ৰ এটাও সম্প্ৰতি গঢ় লৈ উঠিছে। খাৰুৱা তেলৰ ৰয়েল্টি ধাৰ্য কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় উভয় চৰকাৰে গ্ৰহণযোগ্য সূত্ৰটো চূড়ান্ত ভাবে মানি লৈ বিধি অনুসৰি তৈলক্ষেত্ৰ (ব্যৱস্থাপন আৰু উন্নয়ন) আইন খনত এবাৰ সন্নিবিষ্ট হলেই আগলৈ হব লগা সংশোধনবোৰ নিজে নিজেই হৈ থাকিব আৰু তাত বাহিৰা বিচাৰ-বিবেচনাৰ অৱকাশো নোহোৱা হবগৈ। তাৰোপৰি খাৰুৱা তেলৰ বাবদ ৰয়েল্টি হিচাপে কিমান কি পোৱা যাব, তাৰ আগতীয়া হিচাপো তেতিয়া ৰাজ্য চৰকাৰে নিৰ্ভুল ভাবে কৰি লব পৰা হবগৈ।

৪। ৰয়েল্টিৰ সংশোধন এতিয়াৰ দৰে তিনি বছৰৰ মুৰে মুৰে কৰাৰ পৰিবৰ্তে চাৰকাৰিয়া আয়োগে দিহা দিয়া মতে প্ৰতি দুবছৰৰ অন্তত কৰাৰ ব্যৱস্থা কৰিবলৈও আমি কেন্দ্ৰীয় চৰকাৰক জোৰ কৰি আহিছো। তদুপৰি যি মূল্যত শোধানাগাৰ সমূহত খাৰুৱা তেলৰ যোগান ধৰা হয় বা বিক্ৰী কৰৰ হিচাপৰ বাবে তেল কোম্পানী বিলাকে যি মূল্য ঘোষণা কৰে, তাৰে কমেও কুৰি শতাংশ নিৰিখত ৰয়েল্টি ধাৰ্য কৰিব লাগে বুলিও আমি টানি ধৰিছো। 'মূল্য' বোলোতেও আকৌ তাৰ ভিতৰত মূল দাম, তেল উন্নয়ন উপকৰ আৰু ৰয়েল্টিও সামৰি লোৱা উচিত বুলি কোৱা হৈছে। ইয়াৰ উপৰিও আমি জোৰ দি কৈছো যে ৰয়েল্টি আদায় দিয়াত পলম হলে বাকী পৰি থকা প্ৰাপ্যৰ ওপৰত ৰাজ্যক সুদো দিয়া উচিত। মূল্য বৃদ্ধি ৫ শতাংশতকৈ অধিক হলে আনকি দুবছৰীয়া ম্যাদৰ ভিতৰতো ৰয়েল্টিৰ মধ্যৱৰ্তীকালীন সংশোধন হব লাগে বুলিও আমি দাবী কৰিছো। আনহাতে খনিজ তেল উৎপাদন কৰা মাটিৰ ওপৰত এটা উপকৰ বহুৱাবলৈ বিচৰা ১৯৮৮ চনৰ অসম গ্ৰাম্যবিকাশ উপকৰ আইনখন এতিয়াও উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈয়ে আছে।

চাহ আৰু কয়লাৰ ওপৰত কৰ

৫। এইখিনিতে যোৱা ডিচেম্বৰ মাহত চৰকাৰে জাৰি কৰা অধ্যাদেশ তিনিখনৰ বিষয়েও সদনক জনাবলৈ পাই মই ভাল পাইছো। অসম কৃষি

আয়কৰ (দ্বিতীয় সংশোধনী) অধ্যাদেশ, ১৯৮৯ ; অসম (নিৰ্দিষ্ট ভূমি খণ্ডত) কৰ আৰোপ অধ্যাদেশ, ১৯৮৯ আৰু অসম ভূমি ৰাজহ পুননিৰ্দ্ধাৰণ (সংশোধনী) অধ্যাদেশ, ১৯৮৯ --এই তিনিখন অধ্যাদেশে চাহ আৰু কয়লা খণ্ডৰ পৰা প্ৰায় ৭৮ কোটি টকাৰ অতিৰিক্ত ৰাজহ আনি দিব বুলি আশা কৰা হৈছে। এই অধ্যাদেশ কেইখনৰ ঠাইত প্ৰয়োজনীয় বিধেয়ক সদনৰ এই অধিবেশনতে দাঙি ধৰাৰো প্ৰচেষ্টা চলোৱা হৈছে।

৬। অসম কৃষি আয়কৰ (দ্বিতীয় সংশোধনী) অধ্যাদেশ, ১৯৮৯ ৰ জৰিয়তে যোৱা ১ এপ্ৰিলৰ পৰা দুবছৰৰ বাবে কৃষি আয়কৰ ১০ শতাংশ বঢ়াব খোজা হৈছে। চাহ উদ্যোগত অপ্ৰত্যাশিত ভাবে হোৱা বিৰাট লাভৰ ধন আহৰণ কৰি অনাব ৰাবেই ঘাইকৈ এই ব্যৱস্থা লোৱা হৈছে। এই আইন প্ৰণয়নৰ জৰিয়তে একোটা সম্পূৰ্ণ বছৰত প্ৰায় ৬ কোটি মান টকা পোৱা যাব। অসম (নিৰ্দিষ্ট ভূমি খণ্ডত) কৰ আৰোপ অধ্যাদেশ, ১৯৮৯ ত চাহপাত আৰু কয়লা উৎপাদন কৰা মাটিৰ ওপৰত কৰ লগোৱাৰ ব্যৱস্থা আছে। এই কৰৰ নিৰিখ হৈছে প্ৰতি কিলোগ্ৰাম কেঁচা চাহপাতত ৫০ পইচাকৈ আৰু প্ৰতিটন কয়লাত ১০০ টকাকৈ । এই প্ৰসংগতে মই মাননীয় সদস্য সকলক জনাবলৈ পাই অৱশ্যে সন্তোষ পাইছো যে ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ আবেদন মৰ্মে চাহ ৰাগিচাত লগোৱা কৰৰ পৰা ৩০ বিঘালৈকেহে মাটি থকা ৰাগিচাক পাঁচ বছৰৰ বাবে ৰেহাই দিবলৈ চৰকাৰে থিৰাং কৰিছে। তথাপিও এই আইন প্ৰণয়নৰ জৰিয়তে একোটা সম্পূৰ্ণ বছৰত ৬৮ কোটি টকাৰ অতিৰিক্ত ৰাজহ আহিব বুলি আশা কৰা হৈছে। এই খিনিতে স্মৰণ কৰিব পাৰি যে চাহ আৰু কয়লা উৎপাদন কৰা মাটিত এটা উপকৰ লগাই চাহ আৰু কয়লাৰ পৰা ওপৰঞ্চি ৰাজহ তোলাৰ উদ্দেশ্যেৰেই এই সন্মানিত সদনে ১৯৮৬ চনৰ অসম গ্ৰাম্য নিয়োগ আৰু ৰাগিচা শ্ৰমিক কল্যাণ বিধেয়কখনো গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰপতিয়ে পিছে সেই বিধেয়কৰ অনুমোদন বন্ধ কৰি ৰাখিছে।

৭। অসম ভূমি ৰাজহ পূণৰ্নিৰ্দ্ধাৰণ (সংশোধনী) অধ্যাদেশ, ১৯৮৯ ৰ জৰিয়তে চাহ খেতিৰ বাবে নিৰূপণ কৰা এতিয়াৰ খাজনা পাঁচ গুণলৈকে বঢ়াবলৈ বিচৰা হৈছে। আশা কৰা হৈছে যে এই আইন প্ৰণয়নৰ জৰিয়তেও ৪ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব ।

ৰাজ্যৰ অৰ্থনীতি

৮। আগৰ বছৰ বোৰৰ তুলনাত চলিত বছৰত আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ কাম-কাজত ভালেখিনি উন্নতি দেখিবলৈ পোৱা গৈছে । এই বছৰত পথাৰৰ খেতিত বানপানীৰ ক্ষতিৰ ব্যাপকতাও সৌভাগ্যবশতঃ কম আছিল আৰু তাৰ ফলতে শস্য উৎপাদনতো লেখত লবলগীয়া উন্নতি

পৰিলক্ষিত হয়। শৰৎ কালীন ধানৰ বেলিকা আগৰ বছৰৰ ৪·২৫ লাখ টনৰ বিপৰীতে এই বছৰত উৎপাদন হয়গৈ ৪·৩৮ লাখ টন। শালি ধানৰ বেলিকাও ১৯৮৮-৮৯ চনৰ ১৯·৩ লাখ টনৰ বিপৰীতে এই বছৰত ২৪ লাখ টন উৎপাদন হোৱাৰ সম্ভাৱনা আছে।

৯। দ্ৰুত হিচাপমতে ১৯৮০-৮১ চনৰ ভিত্তিত ১৯৮৭-৮৮ চনৰ সাময়িক ভাবে নিৰূপিত ৫৯৯২·৯১ কোটি টকাৰ পৰা চলিত মূল্যৰ হিচাপত প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৮-৮৯ চনত ৮·৯ শতাংশ হাৰত ৬৫২৪·৮২ কোটি টকালৈ বৃদ্ধি পায়। ১৯৮০-৮১ চনৰ স্থিৰ মূল্যৰ হিচাপতো প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৭-৮৮ চনৰ সাময়িক ভাৱে নিৰূপিত ৩৫১৯·২৯ কোটি টকাৰ পৰা ১৯৮৮-৮৯ চনত দ্ৰুত হিচাপমতে ৩৬৮৮·৭৫ কোটি টকালৈ বাঢ়ি যায়। শতাংশৰ হিচাপত এই বৃদ্ধিৰ হাৰ ৪·৮ শতাংশ হয়গৈ। একেদৰেই চলিত মূল্যৰ আধাৰত প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ জনমুৰি পৰিমাণো ১৯৮৭-৮৮ চনৰ সাময়িক ভাবে নিৰূপণ কৰা ২৫৮৯ টকাৰ পৰা ৬·৫ শতাংশ হাৰত বাঢ়ি ১৯৮৮-৮৯ চনত দ্ৰুত হিচাপমতে ২৭৫৬ টকা হয়গৈ। ১৯৮০-৮১ চনৰ স্থিৰ মূল্যৰ ভেটিত হিচাপ কৰিলে এই জনমুৰি উৎপাদন ১৯৮৭-৮৮ চনৰ সাময়িক ভাবে নিৰূপণ কৰা ১৫২১ টকাৰ পৰা ২·৪ শতাংশ হাৰত বাঢ়ি ১৯৮৮-৮৯ চনত দ্ৰুত হিচাপমতে ১৫৫৮ টকা হৈছিলগৈ।

বানপানী

১০। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ বানপানীয়ে পুনৰ এই বছৰো আমাৰ ৰাজ্যখনক বিধ্বস্ত কৰেহি। পথাৰৰ খেতিৰ ব্যাপক ক্ষতিৰ লগতে এই বান পানীত ৫১ জন লোকে নিজৰ মূল্যবান জীৱনো হেৰুৱায়। সাহায্য, মেৰামতি আৰু পূনৰ্বাসনৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা ৩৫৭ কোটি টকা বিচাৰিছিল। পৰিস্থিতিৰ বুজ লবলৈ বুলি কেন্দ্ৰীয় অধ্যয়নকাৰী দল এটাই যোৱা চেপ্টেম্বৰ মাহত ৰাজ্যখন ভ্ৰমণো কৰেহি। এই ক্ষেত্ৰত ব্যয়ৰ উচ্চ সীমা পিছে ২৭·৪২ কোটি টকাতহে ধাৰ্য কৰা হয়। এই সীমা তেনেই কম হোৱা বুলি কেন্দ্ৰীয় চৰকাৰক আমি বুজাইছো আৰু পৰিপূৰক স্মাৰক পত্ৰ এখনৰ জৰিয়তে ৩২·১৮ কোটি টকাৰ ওপৰঞ্চি সাহায্যৰ অনুৰোধো কৰিছো। যোৱা জানুৱাৰী মাহত উপ-প্ৰধান মন্ত্ৰী আমাৰ ৰাজ্যলৈ আহোতে তেখেতৰ লগতো এই বিষয়ে আলোচনা কৰা হৈছিল।

বাৰ্ষিক পৰিকল্পনা ১৯৯০-৯১

১১। এই খিনিতে উল্লেখ কৰা প্ৰাসংগিক হব যে ১৯৮৫-৮৬ চনৰ পিচৰে পৰা বাৰ্ষিক পৰিকল্পনা সমূহৰ ব্যয় নিৰ্দ্ধাৰণৰ পৰিমাণ উল্লেখযোগ্য ভাৱে বঢ়াই অনাত অসম গণ পৰিষদ চৰকাৰে সফলতা লাভ

কৰিছে। উদাহৰণ স্বৰূপে ১৯৮৫-৮৬ চনৰ ৪১০ কোটি টকাৰ পৰা এই পৰিমাণ ১৯৯০-৯১ চনৰ বাবে ৬৭৫ কোটি টকালৈ বাঢ়িছে। সমাজৰ দুৰ্বল শ্ৰেনীৰ বাবে থকা পাৰ্বত্য পৰিকল্পনা, জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত শ্ৰেণীৰ সংযোগী পৰিকল্পনাৰ নিৰ্দ্ধাৰিত ব্যয়ৰ পৰিমাণো লেখত লবলগীয়া ধৰণে বঢ়োৱা হৈছে। পাৰ্বত্য পৰিকল্পনাৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ ১৯৮৫-৮৬ চনৰ ২৮·৭০ কোটি টকাৰ পৰা ১৯৯০-৯১ চনত ৪৭·৯০ কোটি টকালৈ বৃদ্ধি পাইছে। তেনেকৈয়ে জনজাতীয় উপ-পৰিকল্পনাৰ বাবে নিৰ্দ্ধাৰিত ব্যয়ৰ পৰিমাণো ১৯৮৫-৮৬ চনৰ ৪৬·১১ কোটি টকাৰ পৰা ১৯৯০-৯১ চনত ৬৮·৫০ কোটি টকালৈ বঢ়োৱা হৈছে। অনুসূচীত শ্ৰেণীৰ সংযোগী পৰিকল্পনাৰ পৰিমাণ ১৯৮৫-৮৬ চনত আছিল ১০·৫১ কোটি টকা আৰু ১৯৯০-৯১ চনত ইয়াৰ পৰিমাণ হবগৈ ৪২·১২ কোটি টকা। ইয়াৰ উপৰিও সংযোজিত পাৰ্বত্য পৰিকল্পনা আৰু সংযোজিত জনজাতীয় উপ-পৰিকল্পনাৰ বাবেও অধিকতৰ পৰিমাণে বিশেষ কেন্দ্ৰীয় সাহায্য আনিবলৈ আমি সক্ষম হৈছো। উদাহৰণ স্বৰূপে সংযোজিত পাৰ্বত্য পৰিকল্পনাৰ পৰিমাণ ১৯৮৫-৮৬ চনৰ ২২·২০ কোটি টকাৰ পৰা ১৯৮৯-৯০ চনত ৩৬·৪৮ কোটি টকালৈ বৃদ্ধি পায়। একেধৰণেই সংযোজিত জনজাতীয় উপ-পৰিকল্পনাৰ পৰিমাণো ১৯৮৫-৮৬ চনৰ ৬·২৫ কোটি টকাৰ পৰা ১৯৮৯-৯০ চনত ৮·৪৯ কোটি টকালৈ বঢ়োৱা হয়। ১৯৯০-৯১ চনৰ বাবে বিশেষ কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ অৱশ্যে এতিয়াও স্থিৰ কৰিবলৈ বাকী আছে।

১২। ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত অহা বছৰৰ বাবে ১৬২·২১ কোটি টকাৰ নিৰ্দ্ধাৰিত ব্যয়েৰে সামাজিক সেৱা খণ্ডই ২৪·০৩ শতাংশৰ সৰ্বোচ্চ আবণ্টন পাইছে। পৰিকল্পনাৰ সমুদায় ধনৰ ২৩·১৩ শতাংশ অৰ্থাৎ ১৫৬·১4 কোটি টকাৰ আবন্টনেৰে দ্বিতীয় অগ্ৰাধিকাৰ লাভ কৰিছে শক্তি খণ্ডই। কৃষি খণ্ডৰ বাবে ৰখা হৈছে ১১২·৮২ কোটি টকাৰ আবন্টন। একেদৰেই জলসিঞ্চন আৰু বন্যা নিয়ন্ত্ৰণৰ বাবে ৭৬·৯৫ কোটি টকা উদ্যোগৰ বাবে ৫৮·৫৭ কোটি টকা, পৰিবহণ আৰু যোগাযোগৰ বাবে ৪৯·২৭ কোটি টকা আৰু গ্ৰাম্য বিকাশৰ বাবে ৩৩·৬৫ কোটি টকা ধৰা হৈছে।

১৩। কৃষি আৰু গ্ৰামোন্নয়নত সচেতন গুৰুত্বেৰে ১৯৯০-৯১ চনৰ বাৰ্ষিক পৰিকল্পনাখন এখন জনমুখী পৰিকল্পনা। ইয়াত গ্ৰামোন্নয়ন, জলসিঞ্চন, গ্ৰাম্য স্বাস্থ্য, গ্ৰামোদ্যোগ আৰু গাওঁ অঞ্চলৰ শিক্ষাকে ধৰি কৃষি আৰু গ্ৰাম্যখণ্ডৰ কাৰণে ধাৰ্য কৰা ধনৰ সৰ্বমুঠ পৰিমাণ ৩৬৭·৫ কোটি টকা অৰ্থাৎ পৰিকল্পনাৰ সমুদায় ধনৰ ৫৪·৫ শতাংশ হয়গৈ।

কৃষি

১৪। ইতিমধ্যে চলিত বছৰতে কৃষি বিভাগে জিলাই প্ৰতি একোটাকৈ মুঠ ২৩টা কৃষি বিকাশ কেন্দ্ৰও স্থাপন কৰিছে। এনে প্ৰতিটো কেন্দ্ৰতে একোখনকৈ ট্ৰেক্টৰ, একোটাকৈ পাৱাৰ টিলাৰ আৰু খেতিয়ক ৰাইজক ভাড়াত দিবলৈ কৃষিৰ অন্যান্য সা-সঁজুলিও যতনাই ৰখা হব। এই কেন্দ্ৰ-বোৰত একে ঠাইতে আটাইবোৰ সাহায্যৰ দিহা ৰখা হৈছে আৰু তাত বিধান, সাৰ, কীটনাশক ঔষধ আদিৰ বিক্ৰীকে ধৰি খেতিত লগা অন্যান্য সা-সুবিধাৰো ব্যৱস্থা থাকিব। এই কৃষি বিকাশ কেন্দ্ৰবোৰৰ বেছি ভাগেই উন্নয়ন খণ্ডৰ সদৰ স্থান সমূহতে পতা হৈছে। আনফালে কৃষকলৈ আৰ্থিক উদগনি দিয়াৰ আচনিতো অহা বছৰৰ বাবে ৩৭ লাখ টকা আছুতীয়াকৈ ধৰা হৈছে।

১৫। কৃষকৰ কৃষি সেৱা কেন্দ্ৰৰ আচনিৰ অধীনত ৰাছনি ভিত্তিত ট্ৰেক্টৰেৰে মাটি চহোৱাৰ কামো হাতত লবলৈ সম্প্ৰতি প্ৰস্তাব কৰা হৈছে। ৫০ শতাংশ সাহায্য (subsidy) ৰ ভেটিত এই সেৱাৰ যোগান ধৰাৰ কথাটোও চৰকাৰে বিবেচনা কৰি আছে। সদ্যহতে কৃষকৰ কৃষি সেৱা কেন্দ্ৰ সমূহ নিৰ্বাচিত গাওঁ পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতিৰ জৰিয়তে চলাই থকা হৈছে। এই বছৰৰ পৰা কৃষি সেৱা কেন্দ্ৰ আচনিখন অলগতে গঠন কৰা পঞ্জীভুক্ত ক্ষেত্ৰ পৰিচালনা সমিতি সমূহতো আৰম্ভ কৰিবলৈ প্ৰস্তাব কৰা হৈছে।

মহিলা আৰু শিশু

১৬। মহিলা আৰু শিশু সকল সমাজৰ দুৰ্বল শ্ৰেণীটোৰ ভিতৰতে পৰে, তেওঁলোকৰ বিকাশৰ বাবে হাতত লোৱা আচনি সমূহত আৰু বিশেষকৈ মাতৃমংগল, শিশু স্বাস্থ্য আৰু পুষ্টি যোগান আদিৰ বাবে ধাৰ্য কৰা ধনৰ বাঢ়ি অহা পৰিমাণৰ মাজত মহিলা আৰু শিশুসকলৰ বাবে চৰকাৰৰ মনোযোগৰে প্ৰতিফলন ঘটিছে। এই আচনিসমূহৰ বাবদ ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ ১৯৮৫-৮৬ চনৰ ১·১১ কোটি টকাৰ পৰা ১৯৯০-৯১ চনৰ বাবে ২·৫৪ কোটি টকালৈ বঢ়োৱা হৈছে। তদুপৰি মহিলা কল্যাণ আৰু শিশুৰ বিকাশৰ বাবে এটা সঞ্চালকালয় খোলাৰ কথাও চৰকাৰে বিবেচনা কৰি আছে। ইতিমধ্যে ৮ম পৰিকল্পনাত শিশুৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ আচনি এখন অন্তৰ্ভুক্ত কৰিবলৈও প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হৈছে। এই আচনিৰ ফলত নিবনুৱা মহিলাৰ নিয়োগৰ সুবিধাও ওলাব।

১৪ দফীয়া কাৰ্য্যসূচী

১৭। ৰাজ্যখনৰ প্ৰয়োজনৰ লগত ৰজিতা খুৱাই উন্নয়নমূলক কাৰ্যসূচী লবৰ বাবেই ১৪ দফীয়া আৰ্থ-সামাজিক আচনিখন কৰা হৈছে। ইয়াৰ ভিতৰত গ্ৰাম্য স্বাস্থ্য, গ্ৰাম্য শিক্ষা, প্ৰাথমিক স্কুলৰ বাবে ঘৰ সজা, প্ৰাপ্ত বয়স্ক শিক্ষা, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সম্প্ৰসাৰণ, গ্ৰাম্য উদ্যোগ আৰু গ্ৰাম্য পানী

যোগান আচনিৰ ক্ষেত্ৰত ভালেখিনি অগ্ৰগতিও ইতিমধ্যে লাভ কৰিব পৰা হৈছে। ১৪ দফীয়া আচনি বুলি পৰিকল্পনাত বেলেগে কোনো ব্যয় ধাৰ্য কৰা হোৱা নাই, কিন্তু সংশ্লিষ্ট উন্নয়ন বিভাগ সমূহে এতিয়া থকা বাজেটৰ ধনকে ব্যৱহাৰ কৰি এই আচনিৰ আধাৰত কৰণীয় কামখিনি চিনাক্ত কৰি লব লাগে।

১৮। কেন্দ্ৰীয় চৰকাৰে মূলধন বিনিয়োগ সাহায্য (subsidy) ৰ কেন্দ্ৰীয় খণ্ডৰ আচনিখন বন্ধ কৰি দিছে আৰু তাৰ ফলত আমাৰ ৰাজ্যখনৰ ঔদ্যোগীক প্ৰগতি বৰ বেয়াকৈ ব্যাহত হৈছে। সেয়ে কেন্দ্ৰীয় চাবচিদিৰ ঠাইত আৰ্থিক উদগনি দিয়াৰ এখন বিশেষ আচনি হাতত লবলৈ ৰাজ্য চৰকাৰে থিৰাং কৰিছে। ইয়াৰ উপৰিও অন্তৰ্গাথনি সাহায্য, সুদমুক্ত ঋণ, শক্তি ভিত্তিক উদ্যোগৰ বাবে বিদ্যুৎ সাহায্য (subsidy) ৰ লেখীয়া অন্যান্য উদগনি মূলক ব্যৱস্থাৰ কথাও চৰকাৰে চিন্তা কৰিছে। অহা বছৰৰ পৰা নিম্ন আয়ৰ শ্ৰেণীৰ বৃত্তি আচনিখন পুনৰ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। চৰ অঞ্চলৰ সমস্যাৱলীৰ ক্ষেত্ৰতো বিশেষ মনোযোগ দিয়া হব আৰু এই সন্দৰ্ভত চৰ এলেকাত শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সা-সুবিধাৰ সম্প্ৰসাৰণৰ লগতে পানী যোগান আৰু কৃষি বিকাশৰ বাবেও বিশেষ আচনি হাতত লোৱা হব।

৯ দফীয়া কাৰ্যসূচী

১৯। সমাজৰ দুৰ্বল অংশ সমূহৰ উপকাৰৰ বাবে ৯ দফীয়া কাৰ্যসূচী এখনো চৰকাৰে ঘোষণা কৰিছে। কৃষি ঋণ মাফ, ন্যূনতম মজুৰীৰ বৃদ্ধি, ছাত্ৰীৰ বাবে স্কুলৰ মাচুল মাফ, নিৰনুৱা যুৱক-যুৱতীৰ বাবে আবেদন মাচুল মাফ, বৃদ্ধলোকৰ বাবে পৰিবহণ বাছত বিনামূলীয়া ভ্ৰমণৰ সুবিধা আৰু শিপিনীলৈ ৰেহাই (subsidised) মূল্যত সূতাৰ যোগান ইয়াৰে অন্তৰ্গত কেতবোৰ কাৰ্যসূচী। বিভিন্ন বেংকে সমবায় সমিতিৰ জৰিয়তে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কলৈ আগবঢ়োৱা ঋণৰ ক্ষেত্ৰত গাইপতি ১০ হাজাৰ টকা পৰ্য্যন্ত বাকী পৰি থকা ঋণৰ দায়িত্ব এই কাৰ্যসূচীমতে চৰকাৰে নিজেই লবলৈ স্থিৰ কৰিছে। যোৱা তিনি বছৰত বানপানীৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা খেতিয়কক সকাহ দিয়াৰ লগতে ক্ষুদ্ৰ আৰু উপান্ত কৃষকলৈ সমবায় ঋণৰ প্ৰবাহ পুনৰ আৰম্ভ কৰিবৰ বাবেও এই ব্যৱস্থা লোৱা হৈছে, কিয়নো ধাৰ সমূহ মাফ হোৱাৰ লগে লগে খেতিয়ক সকল আকৌ নতুন ঋণ লোৱাৰ যোগ্য হৈ উঠিব। এই ব্যৱস্থাৰ ফলত উপকৃত হোৱা লোকৰ সংখ্যা আনুমানিক আঠ লাখমান হব আৰু বাকী পৰি থকা ঋণৰ মুঠ পৰিমাণো আনুমানিক ৩৭ কোটি মান টকা হবগৈ।

ন্যূনতম মজুৰী

২০। সিফালে যোৱা ১ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ ২১ বিধ তালিকাভূক্ত নিয়োগৰ ক্ষেত্ৰত অকুশলী শ্ৰমিকৰ বাবে ২৫ টকা, অৰ্দ্ধকুশল

শ্ৰমিকৰ বাবে ২৭ টকা আৰু কুশল শ্ৰমিকৰ বাবে ৩০ টকাকৈ ন্যূনতম মজুৰীৰ হাৰ সংশোধন কৰা হয়। দিন হাজিৰা ভিত্তিত চৰকাৰে নিয়োগ কৰা শ্ৰমিকৰ বেলিকাও মজুৰীৰ নিৰিখ দৈনিক ১৭ টকাৰ পৰা দৈনিক ২৫ টকা বা মাহিলী ৭৫০ টকালৈ বঢ়োৱা হৈছে। চাহ বাগিচাৰ শ্ৰমিকৰ ক্ষেত্ৰত প্ৰায় ৩০ বছৰৰ পিচত প্ৰথম বাৰৰ কাৰণে পৰিচালক সংস্থা, কৰ্মচাৰী আৰু শ্ৰমিক সংঘৰ প্ৰতিনিধি তথা স্বতন্ত্ৰ লোকৰ লগতে চৰকাৰী প্ৰতিনিধিকো লৈ এখন ত্ৰিপাক্ষিক সমিতি গঠন কৰি চৰকাৰে ন্যূনতম মজুৰীৰ নিৰিখ ধাৰ্য কৰি দিছে। সেই অনুসাৰে আটাইবোৰ খণ্ডত চাহ বনুৱাৰ মজুৰী প্ৰথম বছৰত ২ টকা ২০ পইচা বাঢ়িব আৰু তৃতীয় বছৰলৈ সেই বৃদ্ধিৰ পৰিমান চাৰে চাৰি টকা পৰ্যন্ত হবগৈ। তাৰোপৰি এইদৰে বান্ধি দিয়া ন্যূনতম মজুৰী তিনি বছৰৰ অন্তত পুনৰ সংশোধনযোগ্য হব। যোৱা তিনি দশক ধৰি দ্বিপাক্ষিক আলোচনাৰ জৰিয়তেই চাহ বনুৱাৰ মজুৰী ধাৰ্য কৰা হৈ আহিছিল। পিছে মজুৰীৰ বৃদ্ধি যথেষ্ট হোৱা যেন নেদেখি চৰকাৰে এই বিষয়ত হস্তক্ষেপ কৰিবলৈ আৰু ৰাইজৰ এই উল্লেখযোগ্য অংশটোৰ ন্যূনতম মজুৰী বান্ধি দিবলৈ থিৰাং কৰিলে। ন্যূনতম মজুৰী ধাৰ্য কৰোতে পুৰুষ আৰু মহিলা শ্ৰমিকৰ মজুৰীৰ মাজত থকা প্ৰভেদ গুচাই উভয় শ্ৰেণীৰ বনুৱাকে একে পৰ্যায়তে ধৰা হৈছে। ৰেহাই মূল্যত খাদ্যশস্যৰ যোগানকে ধৰি আনুষংগিক সা-সুবিধা সমূহো মজুৰী বান্ধি দিয়াৰ সময়ত অক্ষুণ্ণ ৰখা হৈছে।

বিত্ত আয়োগ

২১। নৱম বিত্ত আয়োগে ইতিমধ্যে নিজৰ প্ৰতিবেদন ৰাষ্ট্ৰপতিৰ হাতত দাখিল কৰিছে আৰু এই প্ৰতিবেদন অলপতে প্ৰকাশ কৰা হব বুলি আমি আশা কৰিছো। যোৱা বছৰৰ জুলাই মাহত বিষয়া আৰু মন্ত্ৰী উভয় পৰ্যায়তে বিত্ত আয়োগৰ সৈতে আমাৰ ফলপ্ৰসূ আলোচনা হৈছিল। ইয়াৰ উপৰিও বিশেষ শ্ৰেণী (Special category) ৰ ৰাজ্য সমূহৰ মুখ্য মন্ত্ৰী সকলে তেওঁলোকৰ ৰাজ্যৰ বিশেষ ধৰণৰ সমস্যাৱলী আৰু ঘাইকৈ পৰিকল্পনাৰ বাবে দিয়া কেন্দ্ৰীয় সাহায্যৰ গাঁথনি সন্দৰ্ভত বিত্ত আয়োগৰ লগত বেলেগেও আলোচনা কৰে। এই বিশেষ ধৰণৰ সমস্যাৱলীৰ ক্ষেত্ৰত আয়োগে সহানুভূতিৰ দৃষ্টিভংগী এটা গ্ৰহণ কৰিছে আৰু আশা কৰা হৈছে যে আয়োগৰ ৰায়ে এই সমস্যাসমূহৰ বিষয়টো যথেষ্ট পৰিমাণে সামৰি লব। বিশেষ শ্ৰেণীৰ ৰাজ্য সমূহে যোৱা জুলাই মাহত প্ৰধানমন্ত্ৰীৰ হাততো এখন স্মাৰক পত্ৰ দাখিল কৰিছিল। আমি আন্তৰিক ভাৱে আশা কৰিছো যে কেন্দ্ৰ-ৰাজ্য বিত্তীয় সম্পৰ্কৰ ক্ষেত্ৰত নৱম বিত্ত আয়োগে এক সম্পূৰ্ণ নতুন দিশ মোকলাই দিব।

দৰমহা আয়োগ

২২। ইফালে দৰমহা আয়োগৰ বিচাৰ-বিশ্লেষণৰ কামো ভালেখিনি আগবাঢ়িছে আৰু দুমাহৰ পিচতে আয়োগৰ চূড়ান্ত প্ৰতিবেদনখন পোৱা যাব বুলি আশা কৰা হৈছে। বেতনক্ৰম সংশোধন কৰাৰ বাবে আনুমানিক হিচাপত আমাৰ ৩০০ কোটি মান টকাৰ প্ৰয়োজন হবগৈ। আমাৰ সম্পদৰ নাটনিৰ বিষয়ত বিত্ত আয়োগে সহানুভূতিশীল আৰু অনুকূল মনোভাৱ এটা নললে ৰাজ্য চৰকাৰ এটা বিৰাট বিত্তীয় হেঁচাৰ সন্মুখীন হবগৈ লাগিব। ইতিমধ্যে শিক্ষকৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে ধাৰ্য কৰা বেতন ক্ৰম ১৯৮৬ চনৰ জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ সম্পূৰ্ণভাবে আমি কাৰ্যকৰী কৰিছো আৰু সেই হিচাপত জমা হোৱা আগৰ পাওনাখিনিও যোৱা জুলাই মাহতে মোকলাই দিয়া হৈছে।

কৰ বিধি

২৩। ৰাজ্যৰ কৰ গাথনিটো সুষম আৰু সুবিন্যস্ত কৰিবলৈ আমি সততে সচেষ্ট হৈ আহিছো। মটৰ বাহন কৰৰ লগত যাত্ৰী আৰু সামগ্ৰী কৰ একেলগ কৰি দিয়াৰ বিষয়টো পৰীক্ষা কৰিবলৈ অসম প্ৰশাসনীয় ন্যায়াধিকৰণৰ সভাপতি শ্ৰী এচ, ডি, ফেনেৰ অধ্যক্ষতাত এজনীয়া সমিতি এখন গঠন কৰি দিয়া হৈছিল। ই ৰাজ্যৰ মটৰ মালিক সকলৰো এটা বহুদিনীয়া দাবী। সমিতিয়ে ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। কৰৰ মিশ্ৰণ আৰু পৰিমাণ সম্পৰ্কে সমিতিয়ে কেতবোৰ অতি মূল্যবান পৰামৰ্শও দাঙি ধৰিছে আৰু সেই পৰামৰ্শ সমূহ সম্প্ৰতি চৰকাৰে পৰীক্ষা কৰি আছে। ইতিমধ্যে যোৱা বছৰৰ বাজেট ভাষণত প্ৰতিশ্ৰুতি দিয়া মতে যাত্ৰী আৰু সামগ্ৰী কৰৰ পৰিচালনাৰ ভাৰ যোৱা আগষ্ট মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ বিত্ত বিভাগৰ পৰা পৰিবহন বিভাগলৈ হস্তান্তৰ কৰা হৈছে।

২৪। বিক্ৰীকৰ, মটৰ বাহন কৰ, আৰু আৱকাৰী কৰ সংগ্ৰহৰ ক্ষেত্ৰত থাকি যোৱা সুৰুঙা আৰু কৰফাঁকি ভালেমান দিনৰে পৰা চৰকাৰৰ গভীৰ উদ্বেগৰ কাৰণ হৈ আহিছে। চুবুৰীয়া ৰাজ্যৰ কৰ গাঁথনিত থকা প্ৰভেদক আমাৰ কৰ সংগ্ৰহত সুৰুঙা ৰৈ যোৱাৰ কাৰণ সমূহৰ অন্যতম। এই ক্ষেত্ৰত উমৈহতীয়া নীতি এটা উদ্ভাৱন কৰিবলৈ বুলি কেওখন পূৰ্বোত্তৰ ৰাজ্যৰ বিত্ত সচিব সকল যোৱা আগষ্ট মাহত চিলঙত মিলিত হৈছিল। তাৰ পিছতেই অক্টোবৰ মাহত চিলঙতে মুখ্যমন্ত্ৰী সকলৰো এখন সন্মিলন বহে। আলোচনাৰ এই প্ৰক্ৰিয়াটো এতিয়াও চলি আছে আৰু গুৰুত্বপূৰ্ণ বিষয় সমূহত এটা ঐক্যমতলৈ আহিব পৰা হব বুলি আমি আশাও ৰাখিছো, কিয়নো এটা ফলপ্ৰসূ কৰ প্ৰশাসনৰ বাবে উত্তৰ পূৱ অঞ্চলৰ কেওখন ৰাজ্যৰ মাজত সহযোগিতা আৰু প্ৰচেষ্টাৰ সমন্বয়েই হৈছে প্ৰথম প্ৰয়োজন। আনহাতে কৰ ফাঁকি ধৰা পেলোৱাৰ ব্যৱস্থাও ইতিমধ্যে শক্তিশালী কৰি তোলা হৈছে।

কৰ ৰাজহ

২৫। ঘনে ঘনে হোৱা বন্ধ আৰু আন্দোলনে বিঘিনি ঘটোৱা সত্ত্বেও ৰাজ্যখনৰ কৰ ৰাজহৰ অগ্ৰগতি অবশ্যে চকুত লগা ধৰণৰ হৈয়েই আছে। উদাহৰণ স্বৰূপে কৰৰ জৰিয়তে সংগৃহীত আমাৰ ৰাজহৰ পৰিমাণ ১৯৮৭-৮৮ চনৰ ২৪৯ কোটি টকাৰ পৰা ১৯৮৮-৮৯ চনত ২৭৯ কোটি টকালৈ বৃদ্ধি পাইছিল। শেহতীয়া আনুমানিক হিচাপ মতে চলিত বছৰত ইয়াৰ পৰিমাণ হবগৈ ৩২৩ কোটি টকা। নতুন কৰ-কাটল হিচাপত নধৰাকৈ ১৯৯০-৯১ চনৰ বছৰটোতো ইয়াৰ পৰিমাণ আনুমানিক হিচাপমতে ৩৭৮ কোটি টকা হবগৈ লাগে। এই ক্ষেত্ৰত বিক্ৰীকৰ সংগ্ৰহৰ দিশতো লেখত লব লগীয়া অগ্ৰগতি পৰিলক্ষিত হৈছে। এই সংগ্ৰহৰ পৰিমাণ ১৯৮৭-৮৮ চনৰ ১৬৯ কোটি টকাৰ পৰা বাঢ়ি ১৯৮৮-৮৯ চনত ১৯৩ কোটি টকা হয়গৈ আৰু শেহতীয়া আনুমানিক হিচাপমতে চলিত বছৰত ইয়াৰ পৰিমাণ হবগৈ ২২৮ কোটি টকা। ১৯৯০-৯১ চনতো আনুমানিক হিচাপমতে ইয়াৰ পৰিমাণ ২৫১ কোটি টকা হবগৈ লাগে। ইয়াৰ উপৰিও যোৱা দুবছৰে স্থবিৰ হৈ থকা কৃষি আয়কৰৰ জৰিয়তে সংগৃহীত ৰাজহো সম্প্ৰতি বাঢ়িবলৈ লৈছে। ১৯৮৭-৮৮ চনত এই ৰাজহৰ পৰিমাণ ২৫·৮৮ কোটি টকা আছিল আৰু ১৯৮৮-৮৯ চনতো ই ২৬·৭৮ কোটি টকাতে ৰৈ যায়হি। ইতিমধ্যে চাহপাতৰ ক্ষেত্ৰত হোৱা বিৰাট মূল্যস্ফীতিয়ে অহা বছৰলৈ আমাৰ এই ৰাজহ বহু পৰিমাণে বঢ়াই দিবহি বুলি আশা কৰা হৈছে আৰু আনুমানিক হিচাপমতে ইয়াৰ পৰিমাণ হবগৈ ৬০ কোটি টকা। কোকৰাঝাৰ জিলাত বয়-বস্তুৰ পৰিবহণ ব্যাহত হোৱাৰ ফলত অৰ্থনৈতিক কাম কাজত যেনে ধৰণৰ ব্যাঘাত ঘটিছিল, তাৰ পটভূমিত বিচাৰ কৰিলে আমাৰ কৰ ৰাজহত ইতিমধ্যে হোৱা বৃদ্ধিও শলাগিবলগীয়া।

ক্ষুদ্ৰ সঞ্চয়

২৬। যোৱা কিছু বছৰত ক্ষুদ্ৰ সঞ্চয়ৰ সংগ্ৰহ আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ বাবে এক সম্পদ সদৃশ হৈ আছে। এই দিশত প্ৰকৃত সংগ্ৰহৰ পৰিমাণ ১৯৮৭-৮৮ চনৰ ৭২ কোটি টকাৰ পৰা ১৯৮৮-৮৯ চনত ১১২ কোটি টকালৈ বৃদ্ধি পায়। ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ ১০৫ কোটি টকাৰ অৰিহণাকে ধৰি চলিত বছৰত যোৱা জানুৱাৰী মাহলৈকে প্ৰকৃত সংগ্ৰহৰ পৰিমাণ ১৯৬ কোটি টকা হৈছেগৈ। মোৰ দৃঢ় বিশ্বাস যে এই বছৰত আগৰ বছৰৰ সংগ্ৰহৰ সীমা অতিক্ৰম কৰিব পৰা যাব।

ধাৰৰ বোজা

২৭। আনহাতে চৰকাৰৰ বাবে এক গভীৰ চিন্তাৰ বিষয় হৈছে ক্ৰমান্বয়ে বাঢ়ি অহা ধাৰৰ বোজা। চলিত বিত্তীয় বছৰৰ শেহলৈ আমাৰ ৰাজ্যখনৰ ধাৰৰ পৰিমাণ আনুমানিক হিচাপমতে ৩৭১৩ কোটি টকা

হবগৈ। ইয়াৰ ভিতৰত ৩১৭০ কোটি টকা বা মুঠ ঋণৰ প্ৰায় ৮৬ শতাংশই কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ঋণ। কেন্দ্ৰৰ ওচৰত থকা ঋণৰো আকৌ ৭৪ শতাংশই বা টকাৰ লেখেৰে ২৩৫৩ কোটি টকা হৈছে বাৰ্ষিক পৰিকল্পনাৰ কাম-কাজৰ বাবে অনা সামগ্ৰিক ঋণ। ১৯৯০-৯১ চনৰ শেহলৈ ৰাজ্যখনৰ মুঠ ঋণৰ পৰিমাণ আনুমানিক হিচাপমতে ৪১৫৭ কোটি টকালৈ বাঢ়ি যাব। ১৯৮১ চনৰ জনসংখ্যাৰ আধাৰত হিচাপ কৰিলে ৰাজ্যখনৰ জনমূৰি ঋণৰ পৰিমাণো চলিত বছৰৰ ১৮৬৬ টকাৰ পৰা বাঢ়ি গৈ অহা বছৰত ২০৭০ টকা হবগৈ।

২৮। চলিত বছৰত ঋণ পৰিশোধ কৰোতে আমাৰ ৪৮৪ কোটি টকা খৰচ হয় আৰু তাৰে ২১৮ কোটি টকা মূল পৰিশোধত আৰু বাকী ২৬৬ কোটি টকা সুদৰ হিচাপত ব্যয় হয়। ইয়াৰে ৪১২ কোটি টকা কেৱল কেন্দ্ৰীয় চৰকাৰৰ ঋণ পৰিশোধ কৰোতেই খৰচ হয়। অহা বছৰত ঋণ পৰিশোধৰ হিচাপত খৰচৰ মাত্ৰা আৰু ৬৪ কোটি টকা বাঢ়িব। অৰ্থাৎ ঋণ পৰিশোধৰ বাবে অহা বছৰৰ খৰচৰ পৰিমাণ ৫৪৮ কোটি টকা হবগৈ আৰু তাৰে ৩২৯ কোটি টকা খৰচ হব সুদৰ হিচাপত। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ ঋণ পৰিশোধৰ বাবে হোৱা খৰচৰ পৰিমাণো বাঢ়ি গৈ আনুমানিক হিচাপ মতে ৪৭৩ কোটি টকাত পৰিবগৈ। অতিৰিক্ত সম্পদ আহৰণৰ ক্ষেত্ৰত আৰু ক্ৰমবৰ্দ্ধমান পৰিকল্পনা তথা পৰিকল্পনা-বহিৰ্ভূত ব্যয় বহন কৰাত ৰাজ্যখনৰ সীমিত সামৰ্থ্যালৈ চাই ঋণ পৰিশোধ আৰু সুদ আদায়ৰ সময়ক্ৰমটো সলাবৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰক জোৰ কৰি আহিছো। এটা বিকল্প হিচাপে চলিত দেনাৰ পৰিশোধৰ বাবে এটা মধ্য-মীয়া মিয়াদৰ ঋণকে দিবলৈ বুলিও আমি অনুৰোধ কৰিছো। মই আশা ৰাখিছো যে কেন্দ্ৰৰ নতুন চৰকাৰে আমাৰ ঋণ পৰিশোধৰ সমস্যাটোৰ ক্ষেত্ৰত সহানুভূতিমূলক আৰু বাস্তৱ দৃষ্টিভংগী এটা গ্ৰহণ কৰিব।

হিচাপ

২৯। এইবাৰ মই হিচাপৰ কথালৈ আহিব খুজিছো। লেন-দেনৰ সংক্ষিপ্ত বিৱৰণ এটা ইয়াৰ পৰিশিষ্টতে দিয়া হৈছে। ১৯৯০-৯১ চনৰ লেন-দেনৰ হিচাপ কৰোতে ২৮৯ কোটি টকাৰ ঘাটি এটা ওলাইছেগৈ। আৰম্ভণিৰ ৫৭ কোটি টকাৰ ঘাটিৰে সৈতে ( মহাগাণনিকৰ হিচাপত ৯৩ কোটি টকাৰ বাহিৰে ) বছৰটোৰ সামৰণি পৰিবগৈ ৩৪৬ কোটি টকাৰ (মহাগাণনিকৰ মতে ১৯৬ কোটি টকাৰ ) ঘাটিৰে। বিদ্যুৎ পৰিষদৰ পৰি-কল্পনা বহিৰ্ভূত ঘাটি পূৰণৰ বাবে ৮৩·২৯ কোটি আৰু পথ পৰিবহন নিগমৰ পৰিকল্পনা-বহিৰ্ভূত ঘাটি পূৰণৰ বাবে ৬·১৪ কোটি টকাৰ ব্যৱস্থা

বাজেটত ৰখা হৈছে। ৰাজ্যখনৰ উন্নয়নৰ বৰ্দ্ধিত প্ৰয়োজনৰ বাবেই বাজেটত ৩৪৬ কোটি টকাৰ ব্যৱধান ৰাখিব লগীয়া হ'লগৈ। মই আন্তৰিক ভাবে আশা কৰিছো যে মধ্যমীয়া ম্যাদৰ ঋণ আৰু অহা এপ্ৰিল মাহত হব লগা তেলৰ ৰয়েল্টিৰ পৰবৰ্তী সংশোধনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰে এই ব্যৱধান পূৰণ কৰিবগৈ পৰা হব।

এইখিনি কথাৰেই, অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনৰ বাজেটৰ প্ৰাক্-কলন সদনৰ বিবেচনাৰ বাবে মই এতিয়া আগবঢ়াই দিবলৈ বিচাৰিছো।

ধন্যবাদ।

# পৰিশিষ্ট

## লেন-দেনৰ সংক্ষিপ্ত বিৱৰণ

(কোটি টকাৰ হিচাপত)

| | প্ৰকৃত ১৯৮৮-৮৯ | বাজেট প্ৰাক্ কলন ১৯৮৯-৯০ | সংশোধিত প্ৰাক্ কলন ১৯৮৯-৯০ | বাজেট প্ৰাক্ কলন ১৯৯০-৯১ |
|---|---|---|---|---|
| **ক॥ প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৩৭৩ | ১৫০১ | ১৫৩৫ | ১৫৭০ |
| মূলধন হিচাপ | ১০৩২ | ১১৬৬ | ১২৭৯ | ১১৭৪ |
| মুঠ | ২৪০৫ | ২৬৬৭ | ২৮১৪ | ২৭৪৪ |
| ২। আকস্মিক নিধি হিচাপ | ৩৭ | ২ | ৩০ | — |
| ৩। ৰাজহুৱা হিচাপ | ১২৯৪ | ৮৯৯ | ৮৯৯ | ১৩৬৭ |
| সৰ্বমুঠ (১+২+৩) | ৩৭৩৬ | ৩৫৬৮ | ৩৭৪৩ | ৪১১১ |
| **খ॥ ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৪৩৫ | ১৭৭৯ | ১৬৬৭ | ১৮৩৩ |
| মূলধন হিচাপ | ৮০২ | ১১১৯ | ১১২৭ | ১২৩০ |
| মুঠ | ২২৩৭ | ২৮৯৮ | ২৭৯৪ | ৩০৬৩ |
| ২। আকস্মিক নিধি হিচাপ | ৩৫ | — | ২০ | — |
| ৩। ৰাজহুৱা হিচাপ | ১২৯৩ | ৮৮৫ | ৮৮৫ | ১৩৩৭ |
| সৰ্বমুঠ (১+২+৩) | ৩৫৬৫ | ৩৭৮৩ | ৩৬৯৯ | ৪৪০০ |
| **গ॥ বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| বাহি (+)/ঘাটি (—) | | (—)২১৫ | (+) ৪৪ | (—) ২৮৯ |
| মহাগাণনিক | (+) ১৭১ | | | |
| ৰিজাৰ্ভ বেংক | (+) ২৭ | | | |
| **ঘ॥ আৰম্ভণিৰ হিচাপ** | | | | |
| বাহি (+)/ঘাটি (—) | | | | |
| মহাগাণনিক | (—) ১২২ | (—) ১৫৮ | (+) ৪৯ | (+) ৯৩ |
| ৰিজাৰ্ভ বেংক | (—) ১২৮ | (—) ১৭২ | (—) ১০১ | (—) ৫৭ |
| **ঙ॥ সামৰণিৰ হিচাপ** | | | | |
| বাহি (+)/ঘাটি (—) | | | | |
| মহাগাণনিক | (+) ৪৯ | (—) ৩৭৩ | (+) ৯৩ | (—) ১৯৬ |
| ৰিজাৰ্ভ বেংক | (—) ১০১ | (—) ৩৮৭ | (—) ৫৭ | (—) ৩৪৬ |